# অৱতৰণিকা

## অৱতৰণিকা

মায়তৰি ৰাভা ভাষা ৰাভা জনজাতিসকলৰ অন্যতম উপভাষা। উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰি থকা আদিম অধিবাসী ৰাভাসকলৰ অন্যতম ঠাল মায়তৰি ৰাভাসকলৰ মাজত প্ৰচলিত ভাষাটোৱে হ'ল মায়তৰি ৰাভা ভাষা। অসমৰ বিভিন্ন অঞ্চল তথা অসম-মেঘালয়ৰ সীমামূৰীয়া অঞ্চল আৰু অসমৰ বাহিৰতো ৰাভাসকলৰ বসতি আছে। কিন্তু সাম্প্ৰতিক সময়ত কেৱল অসমৰ পশ্চিমপিনে, গোৱালপাৰা, কামৰূপ আৰু ইয়াৰ সীমামূৰীয়া কিছু অঞ্চলতহে নিজস্ব ভাষা কোৱা ৰাভাসকলৰ বসতি দেখা যায়। পণ্ডিতসকলে উল্লেখ কৰা মতে ৰাভাসকলৰ আঠটা ঠাল (ৰংদানি, মায়তৰি, কোচ বা কোচা, পাতি, দাহৰি, বিতলিয়া, হানা, তিনটিকিয়া)ৰ ভিতৰত কেৱল ৰংদানি, মায়তৰি আৰু কোচ বা কোচাসকলৰ মাজতহে কথিত 'ৰাভা' ভাষা সংৰক্ষিত হৈ আছে।

বৃহত্তম চীন-তিব্বতবৰ্মীয় পৰিয়ালৰ অন্তৰ্গত বড়ো শাখাৰ উপভাষা ৰাভা ভাষাৰ অন্যতম উপভাষা মায়তৰি ভাষাৰ প্ৰচলন গোৱালপাৰা জিলাৰ কেতবোৰ অঞ্চলত আৰু মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলাত দেখিবলৈ পোৱা যায়। অন্যান্য তিব্বতৰ্মীয় ভাষাৰ নিচিনাকৈ ৰাভা ভাষাৰো নিজস্ব লিপি বা কলা নাছিল- সেয়েহে ৰাভা ভাষাৰ নিদৰ্শন কোনো শিলালিপি বা তাম্ৰলিপি নতুবা সাঁচিপাত বা তুলাপাত আদিত পাণ্ডুলিপি আকাৰে পোৱা নাযায় আৰু বৰ্তমানেও ই দোৱান ৰূপেই চলি আছে।

মায়তৰি ভাষা হ'ল মায়তাবাৰায় বা মাতাবাৰায় সকলৰ কথিত ভাষা। বিশেষকৈ মায়তৰি ৰাভাসকলৰ বসতি প্ৰধান অঞ্চলত এই ভাষাটোক পাৰস্পৰিক ভাৱ প্ৰকাশৰ আহিলা হিচাপে ব্যৱহৃত হৈ আহিছে। মায়তাৰাবায় বা মায়তৰি কথিত ভাষা কোৱা ৰাভাসকল বৰ্তমান গোৱালপাৰা জিলাৰ অঞ্চল বিশেষ আৰু মেঘালয়ৰ পশ্চিম গাৰোপাহাৰ জিলাৰ বিভিন্ন অঞ্চলত বসবাস কৰি আছে। যদিও আমাৰ গৱেষণাৰ ক্ষেত্ৰ হিচাপে জয়ৰামকুছি অঞ্চলক বাছি লোৱা হৈছে। অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত গোৱালপাৰা জিলাৰ সদৰ চহৰ গোৱালপাৰাৰ পৰা পশ্চিমে প্ৰায় ৬০কি.মি.আৰু লক্ষীপুৰ নগৰৰপৰা প্ৰায় ১২ কি.মি. দক্ষিণে থকা সমতল ভূমিত 'জয়ৰামকুচি' অঞ্চল অৱস্থিত। এই অঞ্চলত জয়ৰামকুচি

আৰু ইয়াৰ দাঁতিকাষৰীয়া বামুনডোবা, ৰংডোবা, কৃষ্ণপুৰ, নয়াপাৰা, জাঞ্জিপাৰা দ্বিতীয় খণ্ড, চৈবাৰী, কুলামুৰা, অভিৰামপাৰা আৰু নলবাৰী গাওঁবোৰ সংলগ্ন হৈ আছে। জয়ৰামকুচি অঞ্চলৰ চাৰিসীমা পূৱে থৰ্কো পানীছালি, পশ্চিমে কদমছালি, উত্তৰে কুৰছাপাকৰি ২য় খণ্ড, দক্ষিণে মেঘালয় ৰাজ্য। জয়ৰামকুচি অঞ্চলত বসবাস কৰা মায়তৰি ৰাভাসকলে সীমিত সংখ্যক জনগাঁথনিৰে বৰ্তমান সময়ত নিজস্ব ভাষা, ক'লা, কৃষ্টি, সংস্কৃতি, সাহিত্য প্ৰৱৰ্তাই ৰাখিছে। তদুপৰি তেওঁলোকে নিজস্ব ভাষা, কলা, সংস্কৃতি জীয়াই ৰাখিও ওচৰ চবুৰীয়া অঞ্চলৰ জাতি জনজাতিসকলৰ কলা-সংস্কৃতিকো সমানে সন্মান প্ৰদৰ্শন কৰি পৰস্পৰে পৰস্পৰক একাগ্ৰতাৰে আকোঁৱালি ল'বলৈ সক্ষম হৈছে।

**০.১ অধ্যয়নৰ পৰিসৰ আৰু প্ৰয়োজনীতা ঃ**

ৰাভা ভাষা বিভিন্ন উপঠালৰ কথিত ভাষাৰে পৰিপূৰ্ণ এক স্বতন্ত্ৰ ভাষা। এনে বিভিন্ন উপঠালৰ বিভিন্ন কথিত ভাষাৰ সংমিশ্ৰণত ভাষাটোৱে বিশাল পৰিসৰ মাজত নিজস্ব মৰ্যদা অক্ষুন্ন ৰাখিছে। কিন্তু বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰি দিয়া সময় সূচীৰ প্ৰতি লক্ষ্য ৰাখি আমি আমাৰ গৱেষণা গ্ৰন্থখনত কেৱল মায়তৰি ৰাভা ভাষাৰ ভাষাতাত্ত্বিক দিশ বিষয়টোহে অধ্যয়নৰ বাবে নিৰ্ব্বাচন কৰি লোৱা হৈছে।

ৰাভা উপভাষা বিষয়ত বৰ্তমানলৈকে বহুতে আলোচনা কৰিছে যদিও মায়তৰি ৰাভা ভাষা সম্পৰ্কে তেনেদৰে বিশদ চৰ্চা হোৱা নাই। কোনো কোনো সময়ত বিভিন্ন গ্ৰন্থ, আলোচনী আদিত ৰাভা সমাজ জীৱন, সাংস্কৃতিক দিশ আৰু সামগ্ৰিকভাৱে উপভাষাৰ আলোচনা হৈছে যদিও মায়তৰি ৰাভাৰ কথিত ভাষা সম্পৰ্কে কোনো আলোচনা হোৱা নাই। শেহতীয়াকৈ উপেন ৰাভা হাকাচামৰ সম্পাদনাত 'ৰাভা ভাষা আৰু সাহিত্য' নামৰ গ্ৰন্থ প্ৰকাশ হৈছে। কিন্তু তাতো মায়তৰি ভাষাৰ কথিত ৰূপত বিশ্লেষণ পাবলৈ নাই। আনহাতে ধনঞ্জয় ৰাভাৰ 'ৰাভা জনজাতিৰ চমু ইতিহাস', লক্ষীকান্ত ফেনানৰ 'ৰাভা জাতিৰ সংজ্ঞা আৰু ভাষা উদ্ভৱৰ চমু ঐতিহ্য' আদি গ্ৰন্থই পাঠক আৰু বিদ্বানসকলক কিছু সকাহ দিছে। যদিও এই সমূহ গ্ৰন্থত কতোৱেই মায়তৰি ভাষাটোৰ সম্পৰ্কে বিশদ বিৱৰণ নাই। সেয়েহে এই ভাষা বিষয়ত আৰু অধিক অধ্যয়নৰ প্ৰয়োজনীয়তা আছে বুলি আমাৰ ভাব হয়।

**০.২ অধ্যয়নৰ সমল ঃ**

সমল হিচাপে মূখ্য আৰু গৌণ দুয়োটা সমলেই গ্ৰহণ কৰা হৈছে। মূখ্য সমল হিচাপে ক্ষেত্ৰ

আৰু ইয়াৰ দাঁতিকাষৰীয়া বামুনডোবা, ৰংডোবা, কৃষ্ণপুৰ, নয়াপাৰা, জাঞ্জিপাৰা দ্বিতীয় খণ্ড, চৈবাৰী, কুলামুৰা, অভিৰামপাৰা আৰু নলবাৰী গাওঁবোৰ সংলগ্ন হৈ আছে। জয়ৰামকুচি অঞ্চলৰ চাৰিসীমা পূৱে থৰ্কো পানীছালি, পশ্চিমে কদমছালি, উত্তৰে কুৰছাপাকৰি ২য় খণ্ড, দক্ষিণে মেঘালয় ৰাজ্য। জয়ৰামকুচি অঞ্চলত বসবাস কৰা মায়তৰি ৰাভাসকলে সীমিত সংখ্যক জনগাঁথনিৰে বৰ্তমান সময়ত নিজস্ব ভাষা, ক'লা, কৃষ্টি, সংস্কৃতি, সাহিত্য প্ৰৰৰ্তাই ৰাখিছে। তদুপৰি তেওঁলোকে নিজস্ব ভাষা, কলা, সংস্কৃতি জীয়াই ৰাখিও ওচৰ চবুৰীয়া অঞ্চলৰ জাতি জনজাতিসকলৰ কলা-সংস্কৃতিকো সমানে সন্মান প্ৰদৰ্শন কৰি পৰস্পৰে পৰস্পৰক একাগ্ৰতাৰে আকোঁৱালি ল'বলৈ সক্ষম হৈছে।

**০.১ অধ্যয়নৰ পৰিসৰ আৰু প্ৰয়োজনীতা ঃ**

ৰাভা ভাষা বিভিন্ন উপঠালৰ কথিত ভাষাৰে পৰিপূৰ্ণ এক স্বতন্ত্ৰ ভাষা। এনে বি ভিন্ন উপঠালৰ বিভিন্ন কথিত ভাষাৰ সংমিশ্ৰণত ভাষাটোৱে বিশাল পৰিসৰ মাজত নিজস্ব মৰ্যদা অক্ষুন্ন ৰাখিছে। কিন্তু বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰি দিয়া সময় সূচীৰ প্ৰতি লক্ষ্য ৰাখি আমি আমাৰ গৱেষণা গ্ৰন্থখনত কেৱল মায়তৰি ৰাভা ভাষাৰ ভাষাতাত্ত্বিক দিশ বিষয়টোহে অদ্যয়নৰ বাবে নিৰ্ব্বাচন কৰি লোৱা হৈছে।

ৰাভা উপভাষা বিষয়ত বৰ্তমানলৈকে বহুতে আলোচনা কৰিছে যদিও মায়তৰি ৰাভা ভাষা সম্পৰ্কে তেনেদৰে বিশদ চৰ্চা হোৱা নাই। কোনো কোনো সময়ত বিভিন্ন গ্ৰন্থ, আলোচনী আদিত ৰাভা সমাজ জীৱন, সাংস্কৃতিক দিশ আৰু সামগ্ৰিক ভাৱে উপভাষাৰ আলোচনা হৈছে যদিও মায়তৰি ৰাভাৰ কথিত ভাষা সম্পৰ্কে কোনো আলোচনা হোৱা নাই। শেহতীয়াকৈ উপেন ৰাভা হাকাচামৰ সম্পাদনাত 'ৰাভা ভাষা আৰু সাহিত্য' নামৰ গ্ৰন্থ প্ৰকাশ হৈছে। কিন্তু তাতো মায়তৰি ভাষাৰ কথিত ৰূপত বিশ্লেষণ পাবলৈ নাই। আনহাতে ধনঞ্জয় ৰাভাৰ 'ৰাভা জনজাতিৰ চমু ইতিহাস', লক্ষীকান্ত ফেনানৰ 'ৰাভা জাতিৰ সংজ্ঞা আৰু ভাষা উদ্ভৱৰ চমু ঐতিহ্য' আদি গ্ৰন্থই পাঠক আৰু বিদ্বানসকলক কিছু সকাহ দিছে। যদিও এই সমূহ গ্ৰন্থত কতোৱেই মায়তৰি ভাষাটোৰ সম্পৰ্কে বিশদ বিৱৰণ নাই। সেয়েহে এই ভাষা বিষয়ত আৰু অধিক অধ্যয়নৰ প্ৰয়োজনীয়তা আছে বুলি আমাৰ ভাব হয়।

**০.২ অধ্যয়নৰ সমল ঃ**

সমল হিচাপে মূখ্য আৰু গৌণ দুয়োটা সমলেই গ্ৰহণ কৰা হৈছে। মূখ্য সমল হিচাপে ক্ষেত্ৰ

ভিত্তিক অধ্যয়নৰ সময়ত পোৱা কোনো ব্যক্তিৰ উক্তি, মন্তব্য আৰু সাক্ষৎকাৰ লোৱা হৈছে। গৌণ সমল হিচাপে প্ৰস্তাৱিত বিষয় সম্পৰ্কীয় ৰাভা ভাষাৰ বিভিন্ন গ্ৰন্থ, আলোচনী আদিৰ সহায় লোৱা হৈছে।

**০.৩ অধ্যয়নৰ উদ্দেশ্য ঃ**

বৰ্তমান সময়ত মায়তৰি ভাষা সম্পৰ্কে কোনো ধৰণৰ বিজ্ঞানসন্মত আলোচনা হোৱা নাই। এই বিষয়টো সম্পৰ্কে অধ্যয়ন কৰাৰ দুটা উদ্দেশ্য আগত ৰখা হৈছে। এটা হ'ল এই অধ্যয়নৰ জৰিয়তে আমি ৰাভা ভাষাৰ ভাষাতাত্ত্বিক ক্ষেত্ৰত মায়তৰি ভাষাৰ যে এক গুৰুত্বপূৰ্ণ ভূমিকা আছে সেয়া স্পষ্ট ৰূপত দাঙি ধৰিবলৈ সক্ষম হ'ম বুলি আশা কৰিছোঁ। আনটো উদ্দেশ্য হ'ল মায়তৰি ভাষাৰ ঐতিহাসিক দিশ সমূহৰ লগতে বৰ্তমান আধুনিকতাৰ পৰশত ভাষাৰ ৰূপ গঠন দিশলৈ যে কিছু পাৰ্থক্য আহিছে সেই কথাৰো অধ্যয়নৰ যোগেদি পোহৰলৈ অনাৰ পোষকতা কৰা হৈছে। এনেবোৰ দিশত আলোকপাত কৰাৰ উদ্দেশ্যেই তত্ত্বাবধায়কৰ সৈতে আলোচনা মৰ্মে জয়ৰামকুচি অঞ্চলৰ মায়তৰি ভাষাৰ ভাষাতাত্ত্বিক বিষয় নিৰ্বাচন কৰি লোৱা হৈছে।

**০.৪ অধ্যয়নৰ পদ্ধতি ঃ**

এই গৱেষণা কাৰ্যত প্ৰধানভাবে ক্ষেত্ৰভিত্তিক অধ্যয়ন পদ্ধতি গ্ৰহণ কৰা হৈছে। তদুপৰি প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি বিষয়বস্তুৰ সামগ্ৰিক মূল্যায়ন কৰিবলৈ বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰো সহায় লোৱা হৈছে।